জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪/২০২১

## মৈত্ৰী আঁচনিৰ অধীনত এদিনতে বৰাক উপত্যকাৰ পাঁচখন থানাৰ নৱ নিৰ্মিত ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## কংগ্ৰেছে বৰাক উপত্যকাৰ উন্নয়নত ন্যুনতমো গুৰুত্ব দিয়া নাছিল ঃ মুখ্যমন্ত্ৰী

## আগন্তুক দিনত অসমত বিজেপিৰে চৰকাৰ হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত বৰাক উপত্যকাৰ পাঁচখনকৈ আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে নিজে উপস্থিত থাকি দুটা পৃথক কাৰ্যসূচীত উদাৰবন্দ আৰু ধলাই আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে ডিজিটেল মাধ্যমযোগে জয়পুৰ, বদৰপুৰ আৰু হাইলাকান্দি আৰক্ষী থানাৰ নতুন ভৱন কেইটাও উদ্বোধন কৰে।

উদাৰবন্দ আৰক্ষী থানা উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজি বৰাক উপত্যকাৰ পাঁচখন আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱন উদ্বোধনৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে উপত্যকাটোৰ থানাসমূহ আধুনিকীকৰণৰ বাবে লোৱা শক্তিশালী পদক্ষেপৰ কথাকে সূচাইছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্মাৰ্ট পুলিচ গঠনৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সহাৰি জনাই ৰাজ্য চৰকাৰে মৈত্ৰী আঁচনিৰ অধীনত ৰাজ্যৰ থানাসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে শান্তিপূৰ্ণ পৰিৱেশ বৰ্তাই ৰখাটো আৰক্ষীৰ দায়িত্ব কৰ্তব্য। অসম আৰক্ষীয়ে বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষী বাহিনীৰ লোকসকলে নিজকে অধিক পাৰদৰ্শী কৰি তুলিব লাগিব। তেওঁ লগতে কয় যে অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে অপৰাধ মোকাবিলা কৰাৰ ক্ষেত্ৰটো আৰক্ষী বাহিনীয়ে বিশেষ দক্ষতা আহৰণ কৰিব লাগিব।

বৰ্তমানৰ ৰাজ্য চৰকাৰে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম-উন্নয়নত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখন উপত্যকাৰ লগতে পাহাৰীয়া জিলা কেইখনৰ উন্নয়ন সাধন হ'লেহে অসমৰ সামগ্ৰিক উন্নয়ন দ্ৰুততৰ হ'ব। শান্তি-সম্প্ৰীতি অটুত ৰখাৰ ক্ষেত্ৰত বৰাক উপত্যকাৰ জনসাধাৰণে উল্লেখযোগ্য উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হৈছে। এই কথা উল্লেখ কৰি তেওঁ কয় যে বৰাক উপত্যকাৰ উন্নয়নৰ বাবে কংগ্ৰছে ন্যুনতমো গুৰুত্ব প্ৰদান কৰা নাছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে যোগাযোগ, যাতায়াতকে ধৰি সকলো ক্ষেত্ৰতে বৰাক উপত্যকাক আগুৱাই নিয়াৰ বাবে দৃঢ়তাৰে কাম কৰি

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আহিছে। বৰাক উপত্যকাৰ কৃষকে এইবাৰ অধিক খাদ্য শস্য উৎপাদন কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে প্ৰতিটো উন্নয়ন খণ্ডতে ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰাৰ বাবে ভাৰতীয় খাদ্য নিগমক আহ্বান জনাইছে। বৰাক উপত্যকাক দ্ৰুততাৰে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে বিজেপিয়ে যিদৰে কাম কৰিছে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে তেনে দৰে কাম কৰিবলৈ সক্ষম হোৱা নাছিল। আগন্তুক দিনত পুনৰ বিজেপিয়ে চৰকাৰ গঠন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আজি চৰকাৰখনৰ সফলতাৰ অন্তৰালত জনসাধাৰণৰ সহযোগ আৰু আন্তৰিকতা নিহিত হৈ আছে। তেওঁ অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনায়।

কাছাৰ জিলাৰ আৰক্ষী অধীক্ষক ভাঁৱৰ লাল মীনাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, অসম বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, সাংসদ ৰাজদ্বীপ ৰায়, বিধায়কসকল ক্ৰমে মিহিৰ কান্তি সোম, কিশোৰ নাথ, দিলীপ পাল, ৰাজদ্বীপ গোৱালা, অমৰ সিং জৈন, অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, দক্ষিণ অসম মণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দে, উপায়ুক্ত কীৰ্তি জেল্লী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১০/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in